*Total number of printed pages–7*

**63/1 (SEM–5) DSE2/ASMHE5026**

**2024**

# ASSAMESE

Paper : ASMHE5026

***( Introduction to Assamese Grammar )***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'অসমীয়া ভাষাৰ ব্যাকৰণ' গ্ৰন্থখনৰ ৰচক হ'ল —

*(i)* কালিৰাম মেধি

*(ii)* উপেন্দ্ৰনাথ গোস্বামী

*(iii)* হেমচন্দ্ৰ বৰুৱা

*(iv)* সত্যনাথ বৰা



*Contd.*

(খ) অসমীয়া ভাষাৰ পাৰ্শ্বিক ধ্বনিটো হ'ল—

(i) ক

(ii) ল

(iii) হ

(iv) ভ

(গ) অসমীয়া ভাষাৰ নাসিক্য ধ্বনিকেইটা হ'ল—

(i) প, ব, ত

(ii) ক, খ, গ

(iii) চ, জ, হ

(iv) ম, ন, ঙ

(ঘ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল—

(i) ১১টা

(ii) ৮টা

(iii) ৭টা

(iv) ৬টা



(ঙ) 'A Grammar of the Assamese Language' ব্যাকৰণখনৰ ৰচক হ'ল—

(i) ৰবিন্সন চাহাব

(ii) ড° নাথান ব্ৰাউন

(iii) অ'পাভিয়তি

(iv) হেমচন্দ্ৰ বৰুৱা

(চ) ৰূপ আৰু প্ৰয়োগৰ ভিত্তিত ক্ৰিয়াপদক ভাগ কৰা হৈছে—

(i) তিনিটা ভাগত

(ii) দুটা ভাগত

(iii) ছয়টা ভাগত

(iv) চাৰিটা ভাগত

(ছ) জাকৈ, চেপা, সিজু – এই শব্দকেইটা কোন্ ভাষাৰ পৰা অহা ?

(i) বড়ো

(ii) ডিমাচা

(iii) খাচি

(iv) সংস্কৃত



Contd.

(জ) অসমীয়া ভাষাৰ লিঙ্গ হৈছে –

(i) এটা

(ii) দুটা

(iii) তিনিটা

(iv) পাঁচটা

(ঝ) অসমীয়া বচনক ভাগ কৰা হৈছে –

(i) তিনিটা

(ii) দুটা

(iii) চাৰিটা

(iv) ছয়টা

(ঞ) আকৃতি আৰু গঠন অনুসাৰে বাক্যক ভাগ কৰা হৈছে—

(i) তিনিটা

(ii) দুটা

(iii) চাৰিটা

(iv) ছয়টা



২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) ভাষাবৈজ্ঞানিক ভিত্তিত ৰচনা কৰা *দুখন* ব্যাকৰণৰ নাম লিখা।

(খ) অসমীয়া ভাষাৰ অৰ্দ্ধস্বৰ দুটা কি কি?

(গ) আকৃতি কাক বোলে? উদাহৰণ দিয়া।

(ঘ) ধাতু কাক বোলে? ইয়াক কেইটা ভাগত ভাগ কৰা হৈছে?

(ঙ) তুলনামূলক ব্যাকৰণ কাক বোলে?

(চ) অল্পপ্ৰাণ ধ্বনি আৰু মহাপ্ৰাণ ধ্বনি কাক বোলে?

(ছ) তৎসম শব্দ কাক বোলে? উদাহৰণ দিয়া।

৩। তলত দিয়া *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) ব্যাকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা লিখা।

(খ) ধ্বনিতত্ত্ব সম্পৰ্কে এটি টোকা লিখা।

(গ) নিয়ত ধ্বনি আৰু অনিয়ত ধ্বনি কাক বোলে? উদাহৰণসহ লিখা।

(ঘ) বিভক্তি কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকবিধৰে একোটাকৈ উদাহৰণ দিয়া।

(ঙ) অসমীয়া ভাষাত ব্যৱহৃত নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ বিষয়ে চমুকৈ লিখা।

(চ) সমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(ছ) নঞৰ্থক ক্ৰিয়া কাক বোলে? অসমীয়া ভাষাত নঞৰ্থক ক্ৰিয়াপদৰ গঠন সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(জ) কাৰক কাক বোলে? ইয়াৰ ভাগসমূহ উল্লেখ কৰি প্ৰত্যেক ভাগৰে একোটাকৈ উদাহৰণ দিয়া।

(ঝ) 'বাক্যৰ গঠনত আসক্তি বিচাৰ এটি দৰকাৰী বিষয়।' —বুজাই লিখা।

(ঞ) বাক্যৰ নিকটস্থ অংগ বা আসন্ন অংগ বুলিলে কি বুজা? উদাহৰণৰ সহায়ত বুজাই লিখা।

৪। তলত *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) লিংগ কাক বোলে? লিংগভেদ বুজাবলৈ অসমীয়া ভাষাত কি কি উপায় অৱলম্বন কৰা হয়, উদাহৰণৰ সহায়ত আলোচনা কৰা।

(খ) বচন কাক বোলে? অসমীয়া ভাষাৰ বচন নিৰ্ণয়ৰ উপায় সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? এখন তালিকা প্ৰস্তুত কৰি দেখুওৱা। এই স্বৰধ্বনিবোৰ বুজাবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, উল্লেখ কৰা।

(ঘ) প্ৰাকৃতি কাক বোলে? মুক্ত আৰু বদ্ধ প্ৰাকৃতি কাক বোলে? অসমীয়া ভাষাৰ কোনবিধ মুক্ত আৰু বদ্ধ প্ৰাকৃতি উদাহৰণ দিয়া।



৫। তলত দিয়া *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ব্যাকৰণ কাক বোলে? ১৮৫৯ চনৰ পৰা বৰ্তমানলৈ অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) বাক্যতত্ত্ব বুলিলে কি বুজা? বাক্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

---